



# “মুদ্ৰানীতিৰ বুঢ়া মানুহজন”

## কিশোৰ কিশোৰীৰ বাবে এখনি দুঃসাহসিক কাহিনী



ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিত্তীয় শিক্ষা শৃঙ্খলা

সূচীপত্ৰ


| | |
|---|---|
| মুদ্ৰানীতিৰ বুঢ়া মানুহজনৰ পৰা এখন চিঠি | ৩ |
| অৰ্থৰ দৰ্শনাৰ্থীজন | ৪ |
| ইউৰুক আৰু অৰ্থই মুদ্ৰানীতিৰ বুঢ়া মানুহজনক লগ পালে | ৬ |
| আৰ নগৰীত | ৭ |
| বহ্নিশিখাৰ জিভা | ১০ |
| দুগুণ পৰিশ্ৰম আৰু কষ্ট | ১১ |
| নিৰ্দিষ্ট মানদণ্ডৰ সামগ্ৰী | ১৩ |
| মুদ্ৰাৰ উৎপত্তি | ১৫ |
| টকাৰ ৰং | ১৭ |
| প্ৰত্যাগমন | ২১ |
| প্ৰশ্নোত্তৰ | ২৩ |

# মুদ্ৰানীতিৰ বুঢ়া মানুহজনৰ পৰা এখন চিঠি

মৰমৰ

এই চিঠিখন যদি তোমাৰ হাতত আছে তুমি নিশ্চিত হ'ব পাৰা যে ইনানাৰ পুৰণি সঞ্চিত ধনৰ ভুগৰ্ভস্থ ভঁৰালৰ পথৰ সন্ধান পালা।

কিন্তু ইনানাৰ পুৰণি সঞ্চিত ধননো কি? ইয়াৰ উত্তৰ জানিবলৈ তোমাৰ লগত থকা এই কিতাপখন পঢ়িব লাগিব। ইয়াত তুমি তোমাৰ দৰে এজন ধুনীয়া ল'ৰাক লগ পাবা নাম যাৰ "অৰ্থ"। তোমাৰ দৰে অৰ্থইও দুঃসাহসিক কামবোৰ বৰ ভাল পায়। মনে মনে জ্ঞানৰ সন্ধানত ঘুৰি ফুৰোতে হয়তো নিজৰ জীৱনত কেতিয়াবা নিজেই নায়ক হৈ পৰে।

কল্পনাৰ আচৰিত শক্তি ব্যৱহাৰ কৰি তুমিও অৰ্থৰ সৈতে কল্পনা ৰাজ্যলৈ আগুৱাই যোৱা। সময়ৰ সৈতে সম্পৰ্ক এৰি আগুৱাই যোৱা অতীতলৈ । তাত কি পাবা জানানে? সঁচাকৈ আচৰিত হ'ব লগীয়া। বহুতো গোপন কথাৰ সম্ভেদ পাবা- যি সম্ভেদে ভূগৰ্ভস্থ ভঁৰালৰ সঞ্চিত ধনৰ বিষয়ে সবিশেষ জ্ঞান দিব।


সকলোতকৈ ডাঙৰ কথা কি জানানে? অৰ্থৰ সৈতে কৰা ভ্ৰমণৰ অন্তত তুমি ভালদৰে জানিব পাৰিবা পৃথিৱীখনত কিছুমান কাম কেনেকৈ চলি আছে। এই জ্ঞানবোৰ অতিশয় মূল্যবান। কেতিয়াবা কিছুমান জ্ঞান সোণতকৈও অধিক মূল্যবান হৈ পৰে।

এইয়া মাথো আৰম্ভণিহে। যদিহে এই পৃথিৱীত নিজকে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছা আৰু বহুতো গোপন তথ্যৰ সন্ধান তুমি উলিয়াব লাগিব।

লক্ষ্যত উপনীত হ'বলৈ যিবোৰ কথা শিকিবা, সেই কথাবোৰ কিন্তু মনত ৰাখিব লাগিব।

জ্ঞানেই তোমাৰ পথ প্ৰদৰ্শক হওক।

**মুদ্ৰানীতিৰ বুঢ়া মানুহজন**




# অৰ্থৰ দৰ্শনাৰ্থীজন

অইন দিনাৰ দৰে সেইদিনাও কোনো ব্যতিক্ৰম নাছিল। সেইদিনাও অৰ্থ নামৰ সৰু ল'ৰাটোৱে পঢ়াশালিৰ পৰা আহিয়েই কিতাপৰ মোনাটো এচুকত থৈ কম্পিউটাৰত তাৰ আটাইতকৈ প্ৰিয় খেলটো খেলিবলৈ আৰম্ভ কৰিছিল। অইন দিনাৰ দৰে সেইদিনাও মাকে তাক প্ৰথমে শিক্ষকে কৰিবলৈ দিয়া ঘৰৰ কামখিনি শেষ কৰি লৈহে কম্পিউটাৰ গেইম খেলিবলৈ কৈছিল। কিন্তু অৰ্থই মাকৰ কথা ক'ত শুনে, মাকেও বিশেষ একো নক'লে। কৈয়েই বা লাভ কি?।

সেইদিনাখনক আজি বুলি ধৰি লোৱা হ'ল, অৰ্থই কম্পিউটাৰত খেলি থাকোতে ক'ৰ পৰা জানো হঠাতে সৰু সংখ্যাৰ দৰে এটা আকৃতি কম্পিউটাৰৰ পৰ্দাত ভাঁহি আহিছিল আৰু খেলৰ মাজতে সি ৰ'বলৈ বাধ্য হৈছিল।

বহু চেষ্টা কৰিও অৰ্থই সেই সাংখ্যিক আকৃতিটো আঁতৰাই পঠিয়াব পৰা নাছিল।



উপায়হীন হৈ অৰ্থই তাক আঁতৰাই পঠিওৱাৰ চেষ্টা এৰি দিছিল। সাংখ্যিক আকৃতিটোৱে সুধিছিল- "অৰ্থ, কি খবৰ?"

"তুমি কোন?" অৰ্থই আচৰিত হৈ সুধিছিল।
"ইমানদিনে মই তোমাকেই বিচাৰি ফুৰিছিলো।" আকৃতিটোৱে কৈছিল।
"তোমাক কি লাগে?" অৰ্থই সুধিছিল।
উত্তৰত আকৃতিটোৱে কৈছিল- "তুমি মোৰ স'তে এটা দুঃসাহসিক অভিযানত যাব লাগিব।"

অৰ্থৰ কৌতুহল বাঢ়ি গৈছিল। সাধুকথা যেন লগা এনে অভিযানত যাবলৈ সি সদায়ে সুযোগ বিচাৰি ফুৰিছিল। সৰু ল'ৰা হ'লেও সি বাস্তৱ বিশ্বাসী। অৰ্থাৎ বাস্তৱকহে বিশ্বাস কৰে।
আচৰিত হৈ অৰ্থই কৈছিল-

"মই তোমাৰ সৈতে কেনেকৈ যাওঁ? মই যে কম্পিউটাৰৰ বাহিৰত আৰু তুমি কম্পিউটাৰৰ ভিতৰতহে আছা।"

"তুমি তোমাৰ কল্পনা ৰাজ্যতহে আবদ্ধ হৈ আছা। তুমি মোৰ লগত একেলগে আছা বুলি কল্পনা কৰি ল'লে তোমাৰ কম্পিউটাৰৰ ভিতৰত থকা যেনেই অনুভৱ হ'ব!" আকৃতিটোৱে ক'লে।

অৰ্থই কল্পনাশক্তিৰ সহায়ত নিজকে চৈত্ৰিক প্ৰতিবিম্ব (গ্ৰাফিকেল ইমেজ) লৈ পৰিবৰ্ত্তন কৰি কম্পিউটাৰৰ ভিতৰৰ প্ৰাণীটোৰ কাষত ঠিয় হৈ থকা দেখিছিল।
"কি খবৰ? মই ইউৰুক।" হাঁহি মাৰি প্ৰাণীটোৱে কৈছিল। ইফালে সিফালে চাই অৰ্থই সুধিছিল- "তুমি ক'ত?" অৰ্থই দেখিছিল- সিহঁত দুয়ো একাষৰ গছ এজোপাৰ তলত ঠিয় হৈ আছিল। সন্মুখত মৰুভূমিৰ মাজত এখন পুৰণি চহৰৰ ধ্বংসাৱশেষ। ধ্বংসাৱশেষৰ আশে-পাশে কিছুমান ভেড়াৰখীয়াই ছাগলী আৰু ভেড়া চৰাই আছিল। অৰ্থই এনে দৃশ্য দূৰদৰ্শনৰ পৰ্দাত আগেয়েও দেখিছিল।

"আমি এতিয়া এক পাহৰণিৰ দেশ পাইছোহি।" ইউৰুকে কৈছিল।
দুঃসাহসিক অভিযানত অৰ্থৰ এতিয়াহে কৌতুহল উপজিছে।
অৰ্থই মনে-মনে ভাবিলে- "মোৰ নিশাৰ আহাৰৰ বাবে পলম হৈ যাব, মায়ে খাবৰ সময়ত মোক নেদেখিলে বিচাৰি ফুৰিব আৰু মা চিন্তিত হৈ পৰিব। মোৰ ইয়াত কিমান বা পলম হ'ব? মই যদি পঢ়াশালিলৈ নাযাওঁ মোক অনুপস্থিত বুলি লিখি থ'ব।"

ইউৰুকে অৰ্থৰ মনৰ কথা বুজি পাইছিল। ইউৰুকে কৈছিল-"চিন্তাৰ কোনো কাৰণ নাই। এই কল্পনাৰাজ্যত এবছৰ মানে এক চেকেণ্ড।"

অৰ্থৰ মনটো ভাল লাগি গৈছিল। কৌতুহল ৰাখিব নোৱাৰি অৰ্থই সুধিলে- "কিন্তু আমিনো ইয়ালৈ কিয় আহিছো?

"সকলোৰে বিশ্বাস- চন্দ্ৰই যেতিয়া দ্বাদশ স্থান লয়, তেতিয়া এই নগৰখন যেন মানুহৰ দৰে হয় আৰু তেতিয়া গোপন ভঁৰালৰ বিষয়ে ক'বলৈ আৰম্ভ কৰে।" ইউৰুকে এই কথাষাৰ কওঁতে চকুদুটা সন্ধিয়াৰ পোহৰত জ্বলন্ত অঙঠাৰ দৰে উজ্জ্বলি উঠিছিল।" আমি সেই বিশেষ নিশাটিলৈ অপেক্ষা কৰিব লাগিব বুলি ইউৰুকে কৈছিল।

# ইউৰুক আৰু অৰ্থই মুদ্ৰানীতিৰ বুঢ়া মানুহজনক লগ পালে

এইদৰে অপেক্ষা কৰি থাকোতে অৰ্থৰ চিলমিলকৈ টোপনি আহিছিল। হঠাতে কোনোবাই বাহু দুটাত জোকাৰি কৈছিল- "উঠা, উঠা- সেইয়া চোৱাঁ তেওঁ আহিছে।" কাষেৰে পাৰ হৈ যোৱা এজন মানুহক দেখুৱাই ইউৰুকে ফুচফুচাই কৈছিল।



ঢিলা আলখাল্লা জাতীয় পোচাক পিন্ধি কাষেৰে বতাহত ওপঙি থকা যেন মানুহ এজন দেখি অৰ্থই ভাবিছিল- "মানুহজনৰ দেখোন মুখেই নাই!" তথাপিও তাৰ কিন্তু অলপো ভয় লগা নাছিল।

"অভিনন্দন", ইউৰুকে কৈছিল। বুঢ়া মানুহজনে অৰ্থক দেখি কৈছিল- "অঃ অচিনাকি মানুহজন আহিছে।" কিন্তু বুঢ়া মানুহজনৰ মাতটো পুৰুষ বা মহিলা কাৰো দৰেই নহয়। বুঢ়া বা ডেকা মানুহৰ মাতৰ দৰেও নহয়। মাতটো যেন বহু দূৰৈৰ পৰাও নহয় অথচ ওচৰৰ পৰাও নহয় কিন্তু ক'ৰবাৰ পৰা ভাঁহি অহা যেনহে লাগিছিল। ইউৰুকে বুঢ়া মানুহজনক সুধিছিল- "আমি ইনানাৰ সন্ধানত আহিছো, তুমি আমাক সহায় কৰিবানে?

"মই তোমালোকক সহায় কৰিম, কিন্তু এটা চৰ্ত্ততহে।" তোমালোকে মাজতে কোনো ধৰণৰ প্ৰশ্ন কৰিব নোৱাৰিবা। যদি তোমালোকে সচাঁকৈ মনে মনে থাকিব পাৰা তেতিয়াহে তোমালোকক মই ইনানাৰ পুৰণি ভঁৰালৰ বিষয়ে ক'ম", বুঢ়া মানুহজনে উত্তৰত কৈছিল।

অৰ্থ আৰু ইউৰুক দুয়ো বুঢ়া মানুহজনৰ চৰ্ত্ত মানিবলৈ সন্মত হৈছিল। "ব'লা তেনেহ'লে, আমি আগুৱাই যাওঁ- মই দিগ্‌বলয়ত মীন নক্ষত্ৰ মিলি যোৱাৰ আগেয়ে উভতি যাব লাগিব।" এইবুলি কৈ বুঢ়া মানুহজনে সুদূৰৰ বালিৰ দ'মটোৰ ফালে ওপঙি যোৱাদি যাবলৈ ধৰিছিল আৰু অৰ্থ আৰু ইউৰুকক অনুসৰণ কৰিবলৈ নিৰ্দেশ দিছিল।

অৰ্থই সুধিবই খুজিছিল- সিহঁতনো ক'লৈ গৈ আছিল, ইউৰুকে লাহেকৈ খুন্দা এটা মাৰি মনত পেলাই দিয়াতহে মনৰ কথা মনতে ৰাখি বুঢ়া মানুহজনৰ পাছে পাছে যাবলৈ আৰম্ভ কৰিছিল।



## আৰ নগৰীত

বালিৰ দ'মৰ শিখৰৰ পৰা সিপাৰলৈ চাই যি দৃশ্য দেখিছিল- সচাঁকৈ নিজৰ চকুদুটাকে বিশ্বাস কৰিব পৰা নাছিল। আনটো পাৰ দিনৰ পোহৰৰে জ্যেতিষ্মান অথচ সিহঁতৰ ফালে নিশাৰ আন্ধাৰ, আকাশত এটি-দুটি অলেখ তৰাৰ লানি লানি শাৰী।

উছাহ আনন্দৰে তিনিওজন পোহৰৰ ফালে আগুৱাই গৈ দেখিছিল- উত্তপ্ত মৰুভূমিৰ মাজত সেউজ মৰুদ্যানত এখন নগৰ।

"এইখনেই সেই নগৰখন, যাৰ নাম আৰ নগৰ। আৰু ইয়াতেই সকলোৰে আৰম্ভণি।" বুঢ়া মানুহজনে কৈছিল। কিনো আৰম্ভ হৈছিল বুলি সুধিব খুজিও অৰ্থই নুসুধিলে, কিয়নো অৰ্থৰ সংকল্পৰ কথা মনত আছিল।

ক্ৰমান্বয়ে নগৰখনৰ ফালে গতি কৰোতে দেখিছিল জনবসতিপূৰ্ণ নগৰখনত ফুলৰ বাগিছা, ঘৰদুৱাৰ আৰু মন্দিৰ। নগৰখনৰ দুকাষে দুখন নৈ বৈ গৈছিল। এই নৈ দুখনৰ পৰাই নগৰ খনলৈ পানীৰ যোগান ধৰা হয়।

নগৰখনৰ প্ৰত্যেকৰে জীৱিকা ভিন ভিন। তাৰে কিছুমান ভেড়াৰখীয়া, কিছুমান খেতিয়ক, কাকতি/ লিখক বা সাংবাদিক, শিপিনী, কমাৰ আৰু যে ক'ত কি! কিন্তু তাৰ মাজতে কিছুমান তেতিয়াও নিবনুৱা হৈয়ে আছিল।

অৰ্থ আৰু ইউৰুক গৈ এটা সময়ত বজাৰ পাইছিলগৈ। বজাৰত ডুমুজী নামৰ গৰখীয়া এজনে অকলে অকলে কথা পাতি আছিল। "মোৰ দুজনী নোদোকা গাই আছে, এই গাই দুজনীৰ বিনিময়ত মই মোৰ পৰিয়ালৰ কাৰণে অন্ততঃ দুটা সপ্তাহৰ কাৰণে খাব পৰাকৈ শস্য পাম।"

গাই দুজনীৰ পৰা কেনেকৈ শস্য পাব বাৰু?" অৰ্থ আচৰিত হৈছিল।

অলপ সময়ৰ পাচতে নালিছু নামৰ এটা ছাগলীৰখীয়াই দহোটা ছাগলীৰ বিনিময়ত ডুমুজীৰ গাইদুজনী বিচাৰিছিল।

"অ' এতিয়াহে বুজিলো সিহঁতৰ প্ৰয়োজন অনুসৰি সিহঁতৰ লগত থকা সামগ্ৰীবোৰৰ বিনিময় কৰে।" অৰ্থই অনুভৱ কৰিছিল।

দুয়োজনকে অৰ্থই অতি মনোযোগেৰে নিৰীক্ষণ কৰি বুজিব পাৰিছিল- ডুমুজী চিন্তাত পৰিছে। নালিছুৰ গাইদুজনীৰ প্ৰয়োজন আৰু বিনিময়ত ছাগলীবোৰ দিব। পিছে ডুমুজীয়ে জানো ছাগলীৰ বিনিময়ত ইমান নোদোকা গাই দুজনী দিব, নে আৰু অলপ পৰ অপেক্ষা কৰিব? গাইৰ বিনিময়ত কোনোবাই শস্য দিবলৈ আহিবও পাৰে কাৰণ তাৰ শস্যৰহে প্ৰয়োজন।

অৰ্থই কাণে কাণে ইউৰুকক কৈছিল-"মই ভাবো সি গাই দুজনী ছাগলী কেইটাৰ লগত বিনিময় কৰি ল'ব লাগে।" ইউৰুকে আকৌ কাণে কাণে উত্তৰ দিছিল- "কিন্তু কি নিশ্চয়তা আছে সি যে আকৌ শস্যৰ বিনিময়ত গাই বিচৰা কোনোবা এজনক লগ পাব?"

"সচাঁকৈ ডুমুজীয়ে যদি গাই দুজনী বিচৰা কোনোবা মানুহ পায় সেইয়া কাকতলীয় সংযোগ হ'ব। আকৌ সেই মানুহজনৰ লগত যদি শস্য থাকে তেনেহলে দুবাৰ কাকতলীয় সংযোগ হ'ব।" তেতিয়া দেখোন দুগুন সমস্যাহে হ'ব, অৰ্থই মনতে ভাবিছিল।

শস্যৰ বিনিময়ত ছাগলী বিচাৰি কোনোবা আহিবও পাৰে বুলি অৱশেষত ডুমুজীয়ে ছাগলীৰ বিনিময়ত গাই দুজনী দিবলৈ সিদ্ধান্ত ল'লে, ।

ডুমুজী আৰু নালিছু কিন্তু এটা নতুন সমস্যাৰ সন্মুখীন হ'ল। সমস্যাটো হ'ল দুজনী নোদোকা গাই কেইটা ছাগলীৰ সমতুল্য হ'ব? "দহোটা ছাগলীয়ে দিব লাগিব, কিয়নো মোৰ গাইদুজনী নোদোকা, কম বয়সৰ আৰু বেমাৰ আজাৰ বিহীন।" ডুমুজীয়ে ক'লে।

কিন্তু নালিছুয়ে কৈছিল " মোৰ আঠোটা ছাগলীহে তোমাৰ গাই দুজনীৰ সমান হ'ব।"



বহুতো দৰদামৰ অন্তত দুয়ো এটা সিদ্ধান্তত উপনীত হ'ল আৰু বিনিময় প্ৰক্ৰিয়া শেষ কৰি আঁতৰি গ'ল।

বাটত ডুমুজীয়ে এজন খেতিয়কক লগ পালে, খেতিয়কজনৰ কেইটামান ছাগলীৰ প্ৰয়োজন আছিল। ডুমুজীৰ সৈতে বিনিময় কৰিবলৈ খেতিয়কজনৰ মাথো খেতিৰ সা-সঁজুলি যেনে নাঙল, দা, কোৰ ইত্যাদিহে আছিল। ডুমুজীয়ে ভাবিছিল নিশ্চয় এনে এজন মানুহ লগ পাব যাৰ ছাগলীতকৈ নাঙলৰ প্ৰয়োজন বহু বেছি। কিন্তু দুখৰ কথা কেইমিনিটমানৰ পাছতেই এনে এজন খেতিয়কক লগ পালে যাৰ হাতত শস্য আছিল আৰু শস্যৰ বিনিময়ত গৰুহে বিচাৰিছিল। কিন্তু কি হ'ব? বেচেৰা ডুমুজীয়ে গাই কেইজনীৰ বিনিময়ত ছাগলী আৰু ছাগলীকেইটা বিনিময় কৰি নাঙল লৈছিল।

হে ভগৱান সি যদি আৰু অলপ সময় ধৈৰ্য্য ধৰি গাই দুজনী ৰাখি থ'লেহেতেন।

ডুমুজীৰ অৱস্থা দেখি অৰ্থইনো কেনেদৰে সহায় কৰিব একো উপায় বিচাৰি নাপাই মনে মনে ক'লে-

*" প্ৰতীক্ষা সমিধানৰ*
*হাতত আছে নাঙল বা শস্য যাৰ,*
*প্ৰয়োজন কিন্তু গৰু কেইটামানৰ,*
*নহয় জানো ই এক ভাঙিব নোৱাৰা সাথঁৰ?*

*দিনৰ দিনটো ফুৰিলেও ঘূৰি-*
*পাব জানো মানুহ এজন এনে,*
*এই পৃথিবীত কৰিব পাৰে অংক যেনে,*
*গৰু আৰু ছাগলী ভগাই সমানে,*
*সাঁথৰ ভাঙিব পাৰে।*

*এনে জটিল সাঁথৰৰ আছে উত্তৰ নিশ্চয়-*
*দৈনন্দিন জীৱন কৰিবলৈ সৰল উপায়।"*
*বুলি এটা সিদ্ধান্ত লৈছিল।*

হে ঈশ্বৰ, সি যে তাৰ প্ৰতিজ্ঞাৰ কথা পাহৰি গৈছিল। অৰ্থৰ মাত শুনাৰ লগে লগে বুঢ়া মানুহজন অন্তৰ্ধান হৈ গৈছিল- কিন্তু যোৱাৰ আগেয়ে কৈ গৈছিল- "মনত ৰাখিবা,মনত ৰাখিবা।" চকুৰ পচাৰতে সপোন নগৰীখনো নেদেখা হৈ গৈছিল- অৰ্থ আৰু ইউৰুক গছজোপাৰ ওচৰ পাইছিলগৈ য'ত পোন প্ৰথমবাৰৰ বাবে বুঢ়া মানুহজনক লগ পাইছিল।



# বহ্নিশিখাৰ জিভা

গভীৰ চিন্তাত অৰ্থ গছজোপাৰ তলত বহি আছিল। তাৰ এনেহে লাগিছিল যেন এই সকলোবোৰৰ বাবে সিয়েই দায়ী। বুঢ়া মানুহজনক ক'তো বিচাৰি পোৱা নগ'ল। কিন্তু ইউৰুকে এই সকলোবোৰ কথা ভালদৰে জানিছিল যে বুঢ়া মানুহজনে সিঁহতক অন্ততঃ আৰু এবাৰ নিশ্চয় সুবিধা দিব। তেখেতৰ যে এনেকুৱাই স্বভাৱ।

এতিয়া সিহঁতৰ মাজত ডাঙৰ প্ৰত্যাহ্বান হ'ল বুঢ়া মানুহজনক উভটাই অনাৰ। বুঢ়া মানুহজন উভটি আহিব যদিহে সিহঁতে অন্তৰৰ ভাষাৰে কথা ক'ব পাৰে- এইদৰে কথা পতাটো সকলোৰে বাবে সম্ভৱ নহয়। কিন্তু ইউৰুকে এই বিশেষ ভাষাবিধ জানে।

চকু দুটা জপাই, এটা দীঘলীয়া উশাহ লৈ ইউৰুকে কবলৈ আৰম্ভ কৰিছিল। কথাবোৰ অৰ্থই একোকে বুজি পোৱা নাছিল। কিন্তু চকুৰে যি দেখিছিল, সেইয়াহে বিশ্বাস কৰিব পৰা নাছিল।

ইউৰুকৰ জিভাৰ পৰা ওলাই অহা জুইৰ শিখা এবাৰ জ্বলি উঠে আকৌ নোহোৱা হৈ যায়। জুইৰ শিখাই সিঁহতৰ চকুৰ আগত যেন নৃত্যহে প্ৰদৰ্শন কৰিছিল।

হঠাৎ এটা চিনাকি কণ্ঠ ভাঁহি আহিছিল। "মোৰ বুঢ়া হাড়বোৰ বিষাইছে," বুলি কৈ বুঢ়া মানুহজন উভটি আহিছিল।

স্বস্তিৰ নিশ্বাস পেলাই অৰ্থই বুঢ়া মানুহজনৰ শৰীৰৰ সন্ধানত তেওঁৰ তলফাললৈ লক্ষ্য কৰি একো নেদেখিলে। এটা শব্দও সি উচ্চাৰণ কৰা নাছিল, কিয়নো আগৰবাৰৰ কথা তাৰ খুউব ভালদৰে মনত আছিল- সেয়েহে মনে মনে চাইহে আছিল।

বুঢ়া মানুহজনে পুনৰ বালিৰ স্তম্ভৰ ওপৰলৈ বগাবলৈ আৰম্ভ কৰিলে আৰু সিহঁতকো অনুসৰণ কৰিবলৈ হাতবাউল দি মাতিলে আৰ নগৰীলৈ পুনৰ তেওঁলোক উভটি গৈছিল।

# দুগুণ পৰিশ্ৰম আৰু কষ্ট

আৰ নগৰীৰ বাসিন্দাসকল বৰ মিলাপ্ৰীতিৰে বাস কৰিছিল। এজনে আনজনৰ লগত লাগতিয়াল সামগ্ৰী প্ৰয়োজন সাপেক্ষে সালসলনি কৰিছিল। আনকি দৰকাৰ হ'লে ধাৰলৈ দিয়ো সহায় কৰিছিল। যদি এজন কৃষকৰ এটা নাঙলৰ প্ৰয়োজন হয় কিন্তু বিনিময়ত দিবলৈ একোকে নাথাকে তেনেস্থলত কমাৰজনক নাঙলটোকে ধাৰলৈ দিছিল।

গতিকে বুজিব পৰা যায় যদিহে এজন কমাৰক শস্যৰ প্ৰয়োজন হয় তেতিয়া নিশ্চয় কৃষক এজনে কমাৰজনক শস্য ধাৰলৈ দিছিল। প্ৰত্যেকৰে এজনৰ ওপৰত আনজনৰ গভীৰ বিশ্বাস আছিল।

অৰ্থই সুক্ষ্মভাৱে লক্ষ্য কৰি অনুভৱ কৰিছিল- এইবোৰৰ যেন এটাও সিদ্ধান্ত শুদ্ধ নাছিল। দূৰণিৰ পৰা গৰখীয়া এজনে তাৰ গৰুকেইটা বিনিময় কৰিবলৈ আনোতে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল কিয়নো নৈখনৰ কাষ পাওঁতে সমস্যাৰ সন্মুখীন হৈছিল। গৰুকেইটা নৈখন পাৰ নহৈ অলৰ-অচৰ হৈ ৰৈ আছিল। যদিহে গৰুকেইটা বিনিময় কৰিবলৈ আনোতে বাটতে আঘাতপ্ৰাপ্ত হয় অথবা ভাগৰি পৰে, তেতিয়াতো দৰদাম আৰম্ভ কৰাৰ পূৰ্বেই গৰখীয়াজন লোকচানৰ সন্মুখীন হ'ব।

তথাপিও আৰ নগৰীয়ে উন্নতিৰ পথত আগুৱাইছিল আৰু আৰত নগৰীলৈ অন্যান্য ঠাইৰ পৰা প্ৰব্ৰজন হৈছিল। এদিনাখন এজন মানুহে লোহী নামৰ এজন কমাৰৰ ওচৰলৈ এখন কুঠাৰ বিচাৰি আহিছিল। কুঠাৰখনৰ বিনিময়ত মানুহজনে লোহীক এখন মীট-দা দিছিল। ইমান ধুনীয়া মীট-দা ইয়াৰ আগেয়ে লোহীয়ে কেতিয়াও দেখা নাছিল। মীট-দাখন ধেনুভিৰীয়া ব্লেডখনৰ দৰে। তাৰ নালডাল ধুনীয়া কাঠৰ আৰু তাতে দুটা উজ্জ্বল মুকুতামণি খটোৱা আছিল। সন্ধিয়াৰ পোহৰত মণি দুটা পূৰ্ণিমাৰ জোনটিৰ দৰে চিক্‌মিকাই আছিল। মানুহজনে কৈছিল "এসময়ত এই মীট-দাখন ৰাজকুমাৰ ডিলমুনৰ আছিল। এবাৰ ৰাজকুমাৰ ডিলমুনক এটা কামত সহায় কৰা বাবে কৃতজ্ঞতাৰ চিনস্বৰূপে মোক এই মীট-দা খন দিছিল।"

লোহীয়ে মানুহজনৰ কথাত পতিয়ন গৈ বিচৰা মতে এখন কুঠাৰ দিছিল।

কেইদিনমানৰ পাছত লোহীয়ে বৰ গৌৰবেৰে মীট-দাখন লগৰীয়াসকলক দেখুৱাই আছিল। সেই সময়থতে আৰ নগৰীৰ মূল্যবান মনি-মুকুতা খোদাই কৰা লোকজন লোহীৰ কাষেৰে পাৰ হৈ গৈছিল আৰু মীট-দাখন দেখিয়েই কৈছিল- "এই মণি দুটা কিন্তু তুমি ভবাৰ দৰে মূল্যবান নহয়, এই দুটা সাধাৰণ মণিহে আৰু এনেকুৱা সাধাৰণ মণি ৰাজকুমাৰে কেতিয়াও ব্যৱহাৰ নকৰে।" এই কথাখিনি শুনাৰ লগে লগে লোহীৰ এনেহে লাগিছিল যেন তাৰ নিজৰ কমাৰশালত গৰম কৰা লোহাডাল তাৰ গাত কোনোবাই লগাই দিছিল। লোহীৰ অৱস্থা দেখি অৰ্থই আচৰিত হৈ কৈছিল:

*"মহা চিন্তাত পৰিলে যে সি*
*বিনিময় প্ৰথা ভাল বুলি ভাবি*
*বিশ্বাসত লোৱাজনে*
*মহা সমস্যাতহে পেলালে তাক"*

আকৌ ক'লে-

*“ইয়াৰো যে উপায় আছে নিশ্চয় -*
*আগবঢ়া, এবিধ সামগ্ৰীক নিৰ্দিষ্ট মানদণ্ড কৰি লয়।”*

হে ভগবান, আকৌ অৰ্থই বুঢ়া মানুহজনৰ ওচৰত কৰা সংকল্পৰ কথা পাহৰি গৈছিল। অৰ্থৰ কথা শুনি বুঢ়া মানুহজন পুনৰ অন্তৰ্ধান হৈছিল। কিন্তু যোৱাৰ আগতে কৈছিল- “মনত ৰাখিবা, মনত ৰাখিবা।”

আগৰদৰেই চকুৰ পচাৰতে নগৰখন নোহোৱা হৈ গৈছিল; অৰ্থ আৰু ইউৰুক পুনৰ সেই গছজোপাৰ তল পালেগৈ- য'ত বুঢ়া মানুহজনক লগ পাইছিল।

ইউৰুকৰ পুনৰ বুঢ়া মানুহজনক মাতি অনাৰ পাল পৰিল। পুনৰ সেই চিনাকি কণ্ঠস্বৰ- “ মোৰ হাড়বোৰ বিষায়” বুলি কৈ বুঢ়া মানুহজন উভতি আহিছিল। অৰ্থৰ হিয়া আনন্দৰে নধৰা হ'ল।

# নির্দিষ্ট মানদণ্ডৰ সামগ্ৰী

আৰ নগৰীত ক্ৰমান্বয়ে ব্যৱসায় বাণিজ্য বৃদ্ধি পাইছিল। কিন্তু বিভিন্ন সামগ্ৰীসমূহ বিনিময় কৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছিল। যদিহে কোনো কাৰণত গৰু-ছাগলী আৰু অন্যান্য জীৱ-জন্তু মৰি যায় আৰু নাঙল, কুঠাৰ আদি সজুঁলি আৰু বাচন-বৰ্ত্তন আদি বিনিময় কৰিবলগীয়া হয় তেতিয়া কেইটা পাত্ৰৰ বিনিময়ত এটা নাঙল দিব- সেই সম্পৰ্কত সৈমান কৰাবলৈ যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'ব। গৰু আৰু নাঙলৰ বিনিময় কৰিবলগীয়া হ'লেতো সমস্যা আৰুহে জটিল হৈ পৰিব।

সেয়েহে আৰ নগৰীৰ মুখিয়ালজনে আৰ নগৰীৰ সকলোকে এই সমস্যাৰ সমাধান বিচাৰি আলোচনা কৰিবলৈ আমন্ত্ৰণ জনাইছিল। বহু আলোচনাৰ অন্তত এটা সিদ্ধান্তত উপনীত হৈছিল যে যিকোনো সামগ্ৰীৰ বিনিময়ত আৰ নগৰীৰ মানুহে এবিধ ধাতু যেনে সোণ, ৰূপ, নিকেল অথবা সীহ দিব লাগিব। এডোখৰ সোণেৰে এমাহৰ শস্য, এডোখৰ ৰূপেৰে দুটা গৰু আৰু ১০ ডোখৰ নিকেলেৰ ১০ গজ ডামাস্ক অৰ্থাৎ ধুনীয়া মখমল জাতীয় কাপোৰ কিনিব পাৰিব।



সোণ অথবা ৰূপজাতীয় নিৰ্দিষ্ট মানদণ্ডৰ সামগ্ৰী ব্যৱহাৰৰ সুবিধা বহুত। এইবোৰ ক্ষয় নাযায়, কোনো অসুখ-বিসুখৰ দ্বাৰা আক্ৰান্ত নহয় আৰু বহুদূৰ কঢ়িয়াই লৈ ফুৰিলেও গৰু-ছাগলীৰ দৰে আপত্তি নকৰে। এইবোৰ যিহেতু গণিব পৰা সামগ্ৰী গতিকে হৰণ, ভগন আৰু বিয়োগ কৰাটোও সম্ভৱ। আৰ নগৰীৰ মানুহবোৰে এতিয়া আৰু আগৰ দৰে সামগ্ৰী বিনিময় কৰিব নালাগে। তেওঁলোকে কিনা-বেচা কৰিব পৰা হ'ল।

তথাপিও অকণমান সমস্যা আছিল ......

এদিনাখন গামিল নামেৰে এজন স্থানীয় ব্যৱসায়ীয়ে কুম্হা নামৰ এজন কুমাৰৰ পৰা কিছুমান বাচন-বৰ্ত্তন কিনিবলৈ আহিছিল। কুম্হাই বিনিময়ত এডোখৰ ৰূপ আৰু এডোখৰ নিকেল বিচাৰিছিল। গামিলে কুম্হাক বিচৰা মতেই ৰূপ আৰু নিকেল দিছিল।

ইতিমধ্যে পুৰণি অভিজ্ঞতাৰ পৰা আৰ নগৰীৰ মানুহে শিক্ষা পাই থৈছিল- যে সকলো সোণালী ৰঙৰ ধাতুয়েই সোণ নহয়। সেয়েহে কুম্হাই গামিলক অলপ সময় অপেক্ষা কৰিবলৈ কৈ ধাতু বিশেষজ্ঞৰ ওচৰলৈ ৰূপ আৰু নিকেলখিনি পৰীক্ষা কৰিবলৈ লৈ গৈছিল। কিন্তু বিশেষজ্ঞজন তেতিয়া ঘৰত নাছিল। বিশেষজ্ঞজন ধাতুসমূহ পৰীক্ষাৰ বাবে প্ৰয়োজনীয় ৰাসায়নিক দ্ৰব্য আনিবলৈ ওচৰৰে ডিলুমৰ ঘৰলৈ গৈছিল।

কুম্হাই ধাতুখিনি পৰীক্ষা নকৰাকৈয়ে উভতি আহিবলীয়া হৈছিল। সৌভাগ্যক্ৰমে ব্যৱসায়ীজনৰ সিমান লৰালৰি নাছিল আৰু কেইদিনমানৰ পিছত আহিব বুলি কৈ বিদায় লৈছিল।

সঁচাকৈ তেওঁ কেইদিনমানৰ পাছত পুনৰ আহিছিল। কুম্হা পুনৰ সেই ধাতু বিশেষজ্ঞৰ ওচৰ পালেগৈ। পদূলিমুখতে কুম্হাই বিশেষজ্ঞজনৰ পৰিবাৰক লগ পালে। "মোৰ স্বামীয়ে আজি আপোনাক লগ পাব নোৱাৰিব। তেওঁৰ বৰ অসুখ।" মহিলাগৰাকীয়ে বিচাৰিছিল কুম্হা যেন যিমান সোনকালে হওক তাৰপৰা আঁতৰি যাওক। কিন্তু কিয়? মানুহগৰাকীতো এনেকুৱা নাছিল। "তেখেত বৰ সাদৰী মহিলা। কুম্হাই মনে মনে ভাবিলে। পিছত কুম্হাই গম পাইছিল, ধাতু বিশেষজ্ঞজন এক অদ্ভুত ৰোগত ভূগিছে। কোনোবাই উৰা-বাতৰি উলিয়াই দিছিল যে বিশেষজ্ঞজনে বোলে এজন যাদুকৰক কিবা কথাত জগৰ লগোৱা বাবে খঙতে তেওঁক গাহৰিলৈ ৰূপান্তৰ কৰি দিছিল। অভিসম্পাতত জীৱন কটোৱা মানুহৰ জীৱন বৰ সহজ-সৰল নহয়- জটিলতাৰে পূৰ্ণ।

কুম্হাৰ জীৱনটোও সংঘাতময় হৈ পৰিছিল। ইতিমধ্যে ব্যৱসায়ীজনৰ ধৈৰ্য্যৰ সীমা হেৰাই গৈছিল, আৰু অপেক্ষা নকৰি বাচন-বৰ্ত্তনৰ বাবে দিয়া ফৰ্মাইচ উঠাই লৈছিল; কুম্হাৰ মূৰত যেন আকাশী সৰগহে ভাগি পৰিছিল।

কুম্হাৰ দুৰৱস্থা দেখি অৰ্থ আৰু মনে মনে থাকিব নোৱাৰি কবলৈ ল'লে:

*খৰতকীয়া আৰু সহজ বিনিময়*
*নোহোৱাটোৰেই মূল্যবান*
*ধাতুৰ সমস্যা।*
*ওজন আৰু শুদ্ধতা জোখাৰ*
*হোৱাহ'লে সহজ উপায়,*
*কৰিলেহেঁতেন ই দূৰ*
*এক মানক মুদ্ৰাৰ।*

অৰ্থই আকৌ পাহৰি গৈছিল বুঢ়া মানুহজনৰ ওচৰত কৰা সংকল্পৰ কথা। অৰ্থৰ মাত শুনাৰ লগে লগে "মনত ৰাখিবা, মনত ৰাখিবা" বুলি পুনৰ বুঢ়া মানুহজন অন্তৰ্ধান হৈছিল। হঠাৎ চকুৰ পচাৰতে চহৰখনো নোহোৱা হৈ গৈছিল। অৰ্থ আৰু ইউৰুক পুনৰ বুঢ়া মানুহজনক লগ পোৱা গছজোপাৰ তল পাইছিলগৈ।

ইউৰুকৰ পুনৰ বুঢ়া মানুহজনক মাতি অনাৰ পাল পৰিল। অৰ্থই যদিও আগেয়ে অগ্নিশিখাৰ জিভাখন দেখিছিল, পুনৰ সেই দৃশ্য দেখি আচৰিত হৈছিল। আকৌ সেই কণ্ঠস্বৰ- "মোৰ হাড়বোৰ বিষায়"। বুঢ়া মানুহজন আবিৰ্ভাৱ হোৱাৰ লগে লগে যাত্ৰা আকৌ আৰম্ভ হ'ল।

# মুদ্ৰাৰ উৎপত্তি

মূল্যবান ধাতৱ পদাৰ্থসমূহ পৰীক্ষা কৰাত আৰ নগৰীৰ বাসিন্দাসকলে কষ্ট কৰিবলগীয়া হৈছিল। আগৰ বিনিময় পদ্ধতিৰ পৰিৱৰ্ত্তে মূল্যবান ধাতৱ পদাৰ্থক নিৰ্দিষ্ট মানদণ্ডৰ কৰি লৈ সামগ্ৰী ক্ৰয়-বিক্ৰয় কৰা পদ্ধতি যথেষ্ট উন্নতমানৰ হ'লেও অংকৰ হিচাবে কিছু খেলিমেলি লগাইছিল। হিচাপবোৰ যেন মনঃপুত হোৱা নাছিল। বহুতেই অনুভৱ কৰিছিল যে এডোখৰ নিকেলৰ সৈতে সামগ্ৰীৰ মান নিৰ্দ্ধাৰণ কৰোতে যিমান কষ্ট কৰিবলগীয়া হয় তাতকৈ সামগ্ৰী প্ৰস্তুত কৰাৰ পৰিশ্ৰম কম।

উন্নতিৰ পথত আগবাঢ়ি যোৱাটো আৰবাসীৰ বাবে বৰ সৰল কাম নাছিল। সেই পথ যেন পাকঘূৰণিত বৈ যাব খোজা বোৱতী নৈৰ দৰে।

আৰ নগৰীৰ মূখিয়ালজনে এনে অৱস্থাত দাৰ্শনিকৰ ভূমিকা পালন কৰিব নোৱাৰে; আৰ বাসী যেতিয়াই কোনো সমস্যাৰ সন্মূখীন হৈছিল তেখেতৰ দায়িত্বভাৰ গধুৰ হৈ পৰিছিল। আৰ নগৰীৰ মুখিয়ালজনে বহুতো গুণী-জ্ঞানী মানুহৰ সৈতে আলোচনা চক্ৰত মিলিত হ'ল, হাতে লিখা পুৰণি পাণ্ডুলিপি অধ্যয়ন কৰিলে, ওচৰ পাজৰৰ বহুতো ঠাই ভ্ৰমণ কৰিলে, কিজানিবা আৰ নগৰীৰ বাসিন্দাসকলে সন্মুখীন হোৱা সমস্যাৰ সমাধান পায় , কিন্তু কোনো বিশেষ জ্ঞান আহৰণ নকৰাকৈয়ে উভতি আহিব লগীয়া হৈছিল।

আৰ নগৰীৰ মুখিয়ালে এদিনাখন ৰূপৰ কাৰুকৰী শিল্পী, লোহীক অতি যতনেৰে ৰূপৰ অলঙ্কাৰ আৰু কাৰুকৰী শিল্পকাৰ্য কৰি থাকোতে দেখিছিল। লোহী সচাঁকৈ সৰ্বশ্ৰেষ্ঠ। লোহীয়ে ব্যৱহাৰ কৰা ধাতৱ পদাৰ্থবোৰত কোনো ভেজাল নাই আৰু উচ্চ কাৰুকৰী শিল্প মান বিশিষ্ট। লোহীৰ খ্যাতি বহুদূৰলৈ বিয়পি পৰিছিল। লোহী নিজেও নিজৰ কামত সন্তুষ্ট আৰু তাৰবাবে গৰ্ব অনুভৱ কৰিছিল। সেয়েহে লোহীয়ে নিৰ্মান কৰা গহনা বা আচবাবত নিজস্ব সৰু চিহ্ন এটা স্বাক্ষৰ স্বৰূপে খোদিত কৰিছিল। লোহীয়ে নিৰ্মান কৰা বস্তুৰ দাবী বহুত বেছি। লোহীয়ে ব্যৱহাৰ কৰা ধাতৱ পদাৰ্থৰ শুদ্ধতাৰ আৰু সততাৰ ওপৰত সকলোৰে গভীৰ বিশ্বাস ।সেয়েহে সকলোৱ লোহীৰ পৰাহে অলঙ্কাৰ আদি কিনিব বিচাৰিছিল।

মুখিয়ালজনৰ মনত এটা বৰ ভাল বুদ্ধি খেলালে। মূল্যবান ধাতু সমূহক সৰু সৰু খণ্ড কৰি শুদ্ধতাৰ মানদণ্ড, জোখ আৰু মোহৰৰ চিহ্ন দিলে কেনেকুৱা হ'ব? চিহ্নটোৱে ধাতৱ শুদ্ধতা আৰু জোখৰ মাপকাঠিৰ প্ৰমাণ কৰিব।

এই চিহ্নযুক্ত ধাতু আস্থা আৰু বিশ্বাসযোগ্য বুলি বিবেচিত কৰি ল'লে প্ৰত্যেকবাৰ লেনদেন কৰোতে শুদ্ধতা পৰীক্ষাৰ আৰু জোখ লোৱাৰ প্ৰয়োজন নহ'ব। প্ৰত্যকেই এই মুদ্ৰাটো মানি ল'ব। জনসাধাৰণে এই মুদ্ৰা লেখি অৰ্থাৎ গণি ধন জমা বা পৰিশোধ কৰিব পাৰিব। ফলস্বৰূপে সময় কষ্ট আৰু খৰচ কম হব। এই পদ্ধতি অৱলম্বন কৰিলে আত্ম সন্তুষ্টিৰ উপৰিও কম সমস্যাৰে ব্যৱসায় কৰিবলৈ সুবিধা হ'ব। সচাঁকৈয়ে ই অতিশয় সুন্দৰ পৰামৰ্শ বা প্ৰস্তাৱ বুলি মানিব পাৰি।

আৰ নগৰীৰ মুখিয়ালে নগৰত ঘোষণা কৰিবলৈ নিৰ্দেশ দিছিল যে এতিয়াৰ পৰা যি কোনো সামগ্ৰী বিনিময়ৰ ক্ষেত্ৰত এই মুদ্ৰাবিধহে ব্যৱহাৰ কৰিব লাগিব। যদিহে কোনো লোকে নকল মুদ্ৰা নিৰ্মান অথবা মুখিয়ালৰ মোহৰৰ প্ৰতিলিপি বনাবলৈ চেষ্টা কৰে তেনেহ'লে গুৰুতৰ শাস্তি প্ৰদান কৰা হ'ব। ঘোষকসকলে সকলোকে সতৰ্কবাণী শুনাই দিলে। লোহীক মুদ্ৰা প্ৰস্তুতকৰণ/টকাশালৰ

প্ৰধান নিৰ্বাচিত কৰা হ'ল। লোহীক শপতবাক্য পঢ়োৱা হ'ল যাতে আৰ নগৰীৰ মুখিয়ালৰ বিনা অনুমতিত তেখেতে নিৰ্মান কৰিবলৈ দিয়া মুদ্ৰাৰ বাহিৰে যেন আৰু অইন মুদ্ৰা নিৰ্মান নকৰে আৰু মোহৰৰ নকলো প্ৰস্তুত নকৰে।

এই নিৰ্দেশনাত আৰ নগৰীৰ জনসাধাৰণৰ সন্তুষ্টি দেখি অৰ্থই মন্তব্য দিছিল-

*এটুপি দুটুপি পানীৰে নৈৰ সৃষ্টি হয়,*
*নদী মাথোঁ বৈ সাগৰলৈ*
*সাগৰে আগুৱাই সাগৰ তীৰলৈ?*
*মুদ্ৰা এদিন প্ৰচলিত হ'ব-*
*পুৰণিক বিদায় জনাই*
*লোৱাহি আকোৱালি মৌদ্ৰিক যুগক।*

অৰ্থই বুঢ়া মানুহজনৰ ওচৰত কৰা প্ৰতিজ্ঞাৰ কথা আকৌ পাহৰি গৈছিল। অৰ্থৰ মন্তব্য শুনি বুঢ়া মানুহজন থিতাতে অন্তৰ্ধান হৈছিল কিন্তু যোৱাৰ আগেয়ে কৈ গৈছিল "মনত ৰাখিবা, মনত ৰাখিবা।" সেই একেই পুনৰাবৃত্তি, চহৰখনো চকুৰ পচাৰতে নাইকিয়া হৈ গৈছিল। অৰ্থ আৰু ইউৰুক সেই গছজোপাৰ তল পালেগৈ, য'ত বুঢ়া মানুহজনক লগ পাইছিল।

পুনৰ ইউৰুকৰ বুঢ়া মানুহজনক মাতি অনাৰ পাল পৰিল; জুইৰ জিভাখন বাৰে বাৰে দেখিলেও অৰ্থই কিন্তু প্ৰত্যেকবাৰেই জুইৰ জিভাখন দেখি চমকিত হয়। অলপ সময়ৰ পাচতেই পুনৰ সেই চিনাকি কণ্ঠস্বৰ- "মোৰ হাড়বোৰ বিষায়" বুলি বুঢ়া মানুহজন আবিৰ্ভাৰ হৈছিল আৰু পুনৰ যাত্ৰা আৰম্ভ হৈছিল।

# টকাৰ ৰং

আৰ নগৰীত প্ৰগতিৰ যুগ আৰম্ভ হৈছিল। মুদ্ৰাৰ প্ৰাদুৰ্ভাৱৰ লগে লগে টকা অথবা ধনৰ ধাৰণাই সকলোৰে মনত গোজ পুতি লৈছিল। ফলস্বৰূপে ব্যৱসায় বাণিজ্যৰ সমৃদ্ধি হৈছিল। দূৰ-দূৰণিৰ গুণী-জ্ঞানী লোকক আৰ নগৰীয়ে বাৰুকৈয়ে আকৰ্ষণ কৰিবলৈ আৰম্ভ কৰিছিল।আৰ নগৰীত অংক শাস্ত্ৰ, স্থাপত্য বিদ্যা আৰু দৰ্শন শাস্ত্ৰইয়ো প্ৰাণ পাই উঠিছিল। আৰ বাসী এতিয়া আৰু আগৰ দৰে নহয়, সকলোৱে উন্নতিৰ পথত আগুৱাই গৈছিল। এদিনাখনৰ কথা------

এটা বাতৰি প্ৰকাশ পাইছিল যে আৰ নগৰীলৈ বিষাক্ত বৰষুণ কঢ়িয়াই ঘন ক'লা ডাৱৰ আহি আছে। যদিহে কোনোবাই সেই বৰষুণৰ পানী খায়,তেনেহ'লে তেনেলোকৰ দেহৰ বৰণ সলনি হৈ যাব। মুখিয়ালে সকলোকে সতৰ্ক কৰি দিছিল কোনেও যেন এটুপিও বৰষুণৰ পানী মুখত নিদিয়ে । সচাঁকৈ এজাক বৰষুণে আৰ নগৰীক চুই গৈছিল-বহুতেই সেই বৰষুণৰ পানী পান কৰিলে। বৰষুণৰ পানী পান কৰাৰ কাৰণ মাথো এটাই- চোঁৰা যাওঁকচোন-মুখিয়ালৰ কথা সঁচানে মিছা-খালেনো কি হয়? আৰ নগৰীত বহুলোকে মুখিয়ালক বিশ্বাস নকৰিছিল।

সঁচাকৈ বৰষুণৰ পানী পান কৰাৰ পাচত দেহৰ বৰণ সলনি হৈছিল। যিবোৰ মানুহৰ স্বভাৱ অলপতে খং উঠা বিধৰ আছিল তেওঁলোকৰ বৰণ বীটৰ দৰে ৰঙা , যিসকলে অনবৰত হাঁহি ধেমালি স্ফুৰ্তিৰে জীৱন উপভোগ কৰে সেইসকলৰ বৰণ সূৰ্য্যমুখী ফুলৰ দৰে হালধীয়া , যিসকলে জীৱনটো সুখৰ বুলি ভাৱে তেওঁলোকৰ  বৰণ কাঢ়া নীলা ৰঙৰ আৰু কণ কণ ল'ৰা ছোৱালীবোৰৰ বৰণ সেউজীয়া হৈ গৈছিল। সকলো পীড়িত মানুহেই বৰ চিন্তিত আৰু দুঃখিত হৈ পৰিছিল। মনৰ দুখত ঘৰৰ বাহিৰ ওলাবলৈকে এৰি দিছিল। ঘৰৰ ভিতৰতে কেইবামাহো আৱদ্ধ হৈ আছিল।

মুখিয়ালে দূৰ-দূৰণিৰ বহুতো জনা বুজা আৰু চিকিৎসকক আমন্ত্ৰণ জনাইছিল। কিন্তু কোনেও আৰ নগৰীৰ পীড়িত লোকসকলক নিৰাময় কৰিব পৰা নাছিল। তেনেক্ষণতে জুনুও নামৰ এজন মানুহে ঘোষণা কৰিছিল যে তেঁও এই বিশেষ অসুখটোৰ নিৰাময় পদ্ধতি ভালদৰে জানে। তেঁও কৈছিল যে সাগৰতলীত উৎপন্ন হোৱা এবিধ বিশেষ উদ্ভিদৰ ৰস পান কৰিলে এই ৰোগ নিমিষতে নিৰাময় হ'ব।

কিন্তু ক'লেনো কি হ'ব, জুনুওৰ কথা কোনেও বিশ্বাস নকৰিছিল। বিশ্বাস নকৰাৰ এটাই কাৰণ- জুনুওক সকলোৱে এজন বলীয়া মানুহ বুলিয়েই জানিছিল। এজন বলীয়া মানুহে এইবোৰ জ্ঞান ক'ৰ পৰা পাব? জুনুওৱে জীৱনৰ বেছিভাগ সময় ঔষধি গছৰ ওপৰত পৰীক্ষা নিৰীক্ষা কৰিয়েই কটাইছিল, জুনুওৱে কোৱা কথাবোৰ, জুনুওৰ ভাষা কোনোৱেই বুজি নাপাইছিল। তেঁও কিন্তু বহুতো আচৰিত কথা জানিছিল ।  সকলোতকৈ আচৰিত কথা জুনুওৱে চৰাই-চিৰিকটি, পশু-পক্ষীৰ কথা অৰ্থাৎ মাতৰ অৰ্থ বুজি পাইছিল আনকি ছাঁটোৰ দৈৰ্ঘ্য চায়েই সময় শুদ্ধভাৱে নিৰূপণ কৰিব পাৰিছিল।

আৰ নগৰীৰ সকলো মানুহ হতাশ হৈ পৰিছিল। সেয়েহে নগৰীৰ মুখিয়ালজনে ঘোষণা কৰিলে যে যেয়ে সাগৰতলীৰ পৰা জুনুওৱে বিচৰা বিশেষ উদ্ভিদ বিধ আনি দিব পাৰিব  তেওঁক বিশেষভাৱে পুৰস্কৃত কৰা হ'ব। এই ঘোষণা শুনাৰ লগে লগে জুনুওৱে বিচৰা উদ্ভিদবিধ আনিবলৈ বহুতো যুৱক আগবাঢ়ি আহিছিল। কিন্তু কোনেও সফল হ'ব নোৱাৰিলে। লুলু নামৰ এজন ডুবাৰু বহু দূৰণিৰ পৰা আহিছিল। তেওঁ কৈছিল-এই বিশেষ উদ্ভিদবিধ তেওঁ আনি দিব পাৰিব কিন্তু এটা চৰ্ত্ততহে। চৰ্ত্ত অনুসৰি আৰ নগৰীৰ সকলো মানুহৰ ওজনৰ সমান মুদ্ৰা লুলুৱে তাৰ বিনিময়ত দাবী কৰিছিল। আৰ নগৰীৰ এই দাবী মানি লোৱাৰ বাহিৰে অইন যে কোনো বিকল্প নাছিল।

লুলুৰ দাবী অৰ্থাৎ চৰ্ত্ত মানি লোৱা বাবে লুলুৱে সাগৰতলীলৈ ডুব মাৰিলে আৰু সাগৰতলীৰ পৰা সেই বিশেষ উদ্ভিদবিধ যথেষ্ট পৰিমানত সংগ্ৰহ কৰি আনিলেগৈ। এটা বৃহৎ আকাৰৰ পাত্ৰত জুনুওৱে এই উদ্ভিদবোৰৰ পৰা দৰৱ প্ৰস্তুত কৰি সকলোকে দিছিল। চকুৰ পচাৰতে সকলোৰে দেহৰ বৰণ পুনৰ আগৰ দৰে হ'ল।

কিন্তু এতিয়া লুলুক কেনেকৈ মুদ্ৰা আদায় দিয়া যায়-?

মুখিয়ালজনে একেসময়তে বিশজন মানুহ জুখিব পৰা এখন তৰ্জ্জু বনাবলৈ নিৰ্দেশ দিছিল। কিন্তু কোনে ইমান ডাঙৰ তৰ্জ্জু নিৰ্মাণ কৰিব? ইমান ভাল অভিযন্তা ক'ত পোৱা যাব?
বলীয়া বুলি ভবা জুনুওৱে ঘটনাৰ পৰিক্ৰমা খুউব মনযোগেৰে পৰ্য্যবেক্ষণ কৰি আছিল। সি এটা খাদলৈ গৈ কৈছিল-

*অকনমান বুদ্ধি খটুৱালেই,*
*বিচাৰি পাম আৰু উত্তম উপায়--*
*তাতোকৈয়ো  আছে ভাল বুদ্ধি;*
*য'ত সকলোকে একেলগে জোখাৰ পদ্ধতি।*

*এজন এজনকৈ প্ৰত্যেককে জুখি,*
*প্ৰত্যেকৰে জোখবোৰ একেলগে লেখি;*
*কুৰি সংখ্যাটোৰে কৰিলে হৰণ,*
*গড় উলিয়ালে হ'ব অতি সৰল।*

*বুদ্ধিৰ সহায়েৰে,*
*অংকৰ প্ৰয়োগেৰে,*
*সমিধান বিচাৰি পাই-*
*সমাধা নোহোৱা সাঁথৰে ।*



জোখ মাখৰ সমস্যাৰ সমাধান হৈছিল। লুলুৱে পাহাৰ সদৃশ এদ'ম মুদ্ৰাও পাইছিল।

লুলুৰ এতিয়া সমস্যা বাঢ়িলহে৷ এই মুদ্ৰাসমূহ কেনেকৈ কঢ়িয়াব? মুখিয়াল জনৰ উপদেষ্টা এজনে মুখিয়ালৰ কাণে কাণে এটা উপদেশ দিলে,উপদেশতো মুখিয়ালৰ ভাল লগা যেনেই অনুভৱ হৈছিল৷

কেইদিনমানৰ পাচৰ কথা । এখন সভাৰ আহ্বান কৰা হৈছিল৷ য'ত কিছুমান মুঠি মুঠি গছৰ বাকলি ৰখা আছিল৷ সেইবোৰ কাটি আয়তাকাৰ কৰি শুকোৱাই থোৱা হৈছিল৷ টুকুৰাবোৰ সৰু সৰু কৰি তাৰ ওপৰত নুনী বেঙুনীয়া ৰসেৰে লিখা হৈছিল-

*" এই ধাৰণা আগত লৈ*
*অৰ্থ গধুৰ আখৰেৰে*
*সংকল্পবোৰৰ অস্বচ্ছতাৰে*
*আখৰৰ সিপিঠিৰ কণ্ঠেৰে*
*নোকোৱা কথাবোৰৰ বিশ্বাসেৰে*
*নেদেখাবোৰক আস্থাৰে*
*অকথিত কথাক সন্মান সহকাৰে*
*আৰৰ মুখিয়ালৰ মোহৰেৰে*

*সকলোৰে ইচ্ছাক সন্মান সহকাৰে*
*মই বাহকক এই নোটখনৰ বিনিময়ত ১০০টা মুদ্ৰা দিবলৈ অংগীকাৰবদ্ধ৷"*

লুলু সন্তুষ্ট হৈছিল৷ লুলুৰে কিন্তু ইমান সোপা মুদ্ৰাৰ পৰিৱৰ্ত্তে নোটৰ টোপোলা এটাহে গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল৷ এইবোৰ দেখি হঠাৎ বিজুলীৰ চমকৰ দৰে অৰ্থৰ মনলৈ এটা ভাৱ আহিছিল৷ অৰ্থৰ সেই অৰ্ন্তদৃষ্টিত ধৰা পৰিছিল আৰু অনুভৱ কৰিছিল মৌদ্ৰিক বা অৰ্থনীতিৰ আৰৰ বুঢ়ামানুহজন কোন হ'ব পাৰে৷ নিশ্চয় অইন কোনো নহয়, এই বুঢ়া মানুহজনেই টকা উদ্ভাৱনৰ মূল বা আত্মা৷ এইজনেই সেই বৃদ্ধ মানুহজন যেয়ে সমগ্ৰ পৃথিবীত নোটৰ অথবা মুদ্ৰাৰ সলনি সমমূল্য আদায় দিবলৈ অঙ্গীকাৰবদ্ধ৷ এখেতেই অকথিত মানুহজন যিজনে বিশ্বাস, আস্থা আৰু সন্মানেৰে মানুহৰ মনত আসন লভিছে । আগৰ পুৰণি কথাবোৰ আজি মূল্যহীন, অপ্ৰাসঙ্গিক৷

বুঢ়া মানুহজনে অৰ্থক ভ্ৰমনৰ সংগী কৰি লোৱাৰ কাৰণ অৰ্থই এতিয়াহে উপলব্ধি কৰিছিল আৰু তেখেতে বাৰে বাৰে দোহাৰা কথাষাৰ,"মনত ৰাখিবা,মনত ৰাখিবা" বুলি কিয়নো তেখেতক মনত ৰাখিবলৈ আৰু আনকো তেওঁৰ কথা মনত পেলাই দিয়া কথা বাৰে বাৰে দোহাৰিছিল৷

অৰ্থই অনুভৱ কৰা কথাখিনি মুখৰ ভিতৰতে দোহাৰিছিল, কাৰণ সি জানিছিল মুখেৰে কিবা এটা কোৱামানেই বুঢ়ামানুহজন তৎক্ষনাত আতঁৰি যাব৷ অৰ্থৰ এইবাৰ সম্পূৰ্ণ বিশ্বাস আছিল যে বুঢ়া মানুহজনে এইবাৰ সকলো মানি ল'ব, তাতে অৰ্থৰ উভটি যোৱাৰ সময়ো হৈছিল৷

কিনো ক'ব সি নাজানিছিল, ভাবিও পোৱা নাছিল । কিন্তু আচৰিত! কিবা এটা ক'বলৈ মুখ মেলোতেই জিভাৰ পৰা অগ্নিশিখা নিৰ্গত হৈছিল৷

অৱশেষত বুঢ়া মানুহজনক উদ্দেশ্যি অৰ্থই কৈছিল-

*"গছৰ বাকলিত আত্মা যে সি*
*অৰ্থনীতিৰো যে সিয়ে শক্তি,*
*উকা জেপৰ*
*বন্ধ মুঠিত-*
*মুক্তও নহয়, নিয়ন্ত্ৰনো নহয়,*
*বহুতো কথা কয়,শব্দহীন ভাৱে,*
*ভূগৰ্ভস্থ ভঁৰালেও নোৱাৰে ৰাখিব ধৰি,*
*নিয়মৰ এনাজৰীয়েও নোৱাৰে বান্ধিব।*
*মোহৰেও যাক নোৱাৰে কৰিব আশ্বস্ত*
*এই সকলোৰে তুমিয়েই নীতি, তুমিয়েই ৰীতি।*

অৰ্থই কথাখিনি কৈ শেষ কৰাৰ লগে লগে চকুৰ আগৰপৰা বুঢ়া মানুহজন ছয়াময়াকৈ ধূসৰিত হৈ গৈছিল। লাহে লাহে সকলোবোৰ নিষ্প্ৰভ হৈ আহিছিল। অৰ্থৰ এনেহে লাগিছিল যেন বুঢ়া মানুহজনে অৰ্থলৈ চাই মিচিকিয়া হাঁহি এটি মাৰিছিল "মনত ৰাখিবা, মনত ৰাখিবা" বুলি কৈ তেওঁ শেষ বিদায় লৈছিল।

ইউৰুকে অৰ্থক হাতদুখন জোকাৰি কৈছিল- "মই এতিয়া যাবগৈ লাগিব। আৰু কৈছিল - "মই এতিয়া নতুন ল'ৰা ছোৱালীৰ সন্ধান কৰোগৈ।" অৰ্থই বিদায় জনাইছিল-"বিদায় বন্ধু।" অৰ্থৰ মনতো বেয়া লাগিছিল কিন্তু ইউৰুক যে যাবই লাগিব, জনগনৰ কাৰণে আৰু বহুতো কৰিবলগীয়া আছে। ইউৰুকে যোৱাৰ আগেয়ে অৰ্থক কৈ গৈছিল "ঘৰলৈ উভটি যাবলৈ নেপাহৰিবা, উভটি যাওঁতে কিন্তু চকু দুটা জপাই তোমাৰ ঘৰৰ কথা মনতে ভাবি ল'বা, দেখিবা তুমি তোমাৰ ঘৰ পাইছাগৈ। যাওঁ দেই" বুলি ইউৰুকো অন্তৰ্দ্ধান হ'ল।

অৰ্থই শেষৰবাৰৰ বাবে চাৰিওফালে চকু ফুৰাইছিল-তাৰপাছত চকু দুটা জপাই নিজৰ ঘৰৰ প্ৰতিচ্ছবিখন মানসপটত আঁকি ল'লে; তাৰ কোঠালিতো, তাৰ কম্পিউটাৰতো আৰু তাৰ আৰামৰ বিচনাখন--------।




# প্ৰত্যাগমন

" অৰ্থ, তোমাক মই মাতি আছো ,তুমি কেলৈ মাত দিয়া নাই" মাকে কোঠালিত সোমাই আহি তাক সুধিছিলহি। চকীখনতে অৰ্থই আউজি অলপ সময় বহিছিলহে মাথো। অৰ্থক কম্পিউটাৰৰ সন্মুখত দেখি অৰ্থৰ মাকে কৈছিল- "তুমি যেতিয়াই কম্পিউটাৰৰ সন্মুখত বহি লোৱা তেতিয়াই যেন নিজৰ পৃথিৱীখনত হেৰাই যোৱা।"

" মোৰো তেনেকুৱাই লাগে মা," হাঁহি মাৰি অৰ্থই উত্তৰ দিছিল । "আজিৰ কাৰণে এটা দৰ্কাৰী কাম কৰি দিয়া" বুলি কৈ মাকে এখন বিল তাৰ হাতত দিছিল।" আজি বিদ্যুৎৰ বিল দিয়াৰ অন্তিম দিন, তাতে আকৌ আজি বিদ্যুৎ পৰিষদৰ কাৰ্য্যলয় বন্ধ, কিন্তু দেউতাৰাই কৈছে আজিকালি হেনো কম্পিউটাৰৰ সহায়তো বিল পৰিশোধ কৰিব পাৰি । মইচোন এইবোৰ একোকে বুজি নাপাওঁ- তুমি বাৰু কেনেকৈ কম্পিউটাৰৰ সহায়ত বিল দিবা?" মাকে সুধিছিল।

অৰ্থইও আচৰিত হৈছিল-সাধাৰণতে সি মাকৰ কথালৈ বৰকৈ মন কাণ নিদিয়ে। কিন্তু এইবাৰ যেন বুঢ়া মানুহজনৰ মাতটোহে শুনিছিল-"মনত ৰাখিবা, মনত ৰাখিবা।" সি এতিয়া বুজি পাইছিল- অঙ্গীকাৰ মানে অঙ্গীকাৰ। ইয়াক পালন কৰিবই লাগিব।

অৰ্থই কম্পিউটাৰটো অন্ কৰি বিল আদায় দিয়া পৃষ্ঠাটো উলিয়াই ল'লে। কেইমিনিটমানৰ ভিতৰতে মাকে কৰিবলৈ দিয়া কামটো অৰ্থাৎ বিল পেমেণ্ট কৰি পেলালে। এনেদৰে কৰা আদায়ৰ ক্ষেত্ৰত প্ৰকৃততে কম্পিউটাৰে টকা পইচাৰ লেনদেন নকৰে । কিন্তু কেইটামান সংখ্যাই বিদ্যুৎ পৰিষদক অথবা কম্পেনীক বেংকৰ পৰা টকা উলিয়াবলৈ অনুমতি প্ৰদান কৰি বিদ্যুৎৰ বিল দিয়াত সহায় কৰে। ইমানেই সহজ এই কামবোৰ। বৈদ্যুতিক ধন, যেনে- ক্ৰেডিট কাৰ্ড, ডেবিট কাৰ্ড ইত্যাদিৰ ক্ষেত্ৰতো কথাবোৰ একেই। প্ৰত্যেক ক্ষেত্ৰতে একেই প্ৰক্ৰিয়া; এবিধ চুক্তিহে মাথোন।

অৰ্থইও তৎক্ষণাত প্ৰয়োজনীয় সংখ্যা কেইটা ভৰাই দিছিল আৰু কাম ফেৰা সম্পূৰ্ণ কৰিছিল। আত্ম সন্তুষ্টিৰ এচাটি বতাহে তাৰ মন প্ৰাণ চুই গৈছিল। আনন্দত মন ভৰি পৰিছিল। কম্পিউটাৰটো অন কৰাৰ লগে লগে এটা চিনাকি কণ্ঠস্বৰ ভাঁহি আহিছিল । মহিলা বা পুৰুষকণ্ঠ

এবিধো নহয়, বুঢ়া অথবা কোনো যুৱ কণ্ঠও নহয়, দূৰৈৰ পৰাও নহয় অথচ খুউব ওচৰৰ পৰাও নহয় কোনোবাই যেন ক'লে “ মোৰ হাড়বোৰ বিষায়।” অৰ্থই মিচিকিয়াই হাঁহিছিল।



# প্ৰশ্নোত্তৰ

## ১. কুইজ

**(যিটো শুদ্ধ উত্তৰ তাত চিহ্ন দিয়া)**

**১.১ ধননো কি?**

(ক) এনে এবিধ বস্তু যি পৃথিৱীখন চলায়।

(খ) সময়েই ধন আৰু ধনেই সময়

(গ) জীৱনৰ উদ্দেশ্য

(ঘ) আদায় হিচাবে ব্যৱহাৰ কৰা মাধ্যম

**১.২ তলত লিখাবোৰৰ কোনবিধ ধনৰ কাৰ্য্য নহয়**

(ক) বিনিময়ৰ মাধ্যম

(খ) হিচাবৰ একক

(গ) মূল্যৰ ভঁৰাল

(ঘ) সামগ্ৰী পৰিবহনৰ মাধ্যম

**১.৩ সাধুটোত সামগ্ৰী বিনিময়ৰ সময়ত পোৱা অসুবিধাসমূহ**

(ক) কমলাৰ পৰিৱৰ্ত্তে আপেল বিনিময় সম্ভৱ নাছিল

(খ) গৰুবোৰ বিনিময় কৰাৰ পাচত পুনৰ পুনৰ ঘৰলৈ উভটি আহিছিল

(গ) তোমাৰ যিটো আছে অইন এজনৰ সেইবিধ সামগ্ৰীৰ প্ৰয়োজন আৰু তোমাৰ যিটোৰ প্ৰয়োজন সেইবিধ তেওঁৰ হাতত থকাটো বিচাৰি পোৱাৰ অসুবিধা-

**১.৪ মূল্যবান ধাতুক নিৰ্দ্দিষ্ট মানদণ্ডৰ সামগ্ৰী হিচাবে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত পোৱা অসুবিধাসমূহ**

(ক) মূল্যবান ধাতু চুৰ কৰি লৈ যোৱাৰ আতংক

(খ) মূল্যবান ধাতুৰ গুণগত মান (জোখ আৰু শুদ্ধতাৰ) নিৰূপণ যথেষ্ট কষ্ট আৰু সময়ৰ অপচয়

(গ) মূল্যবান ধাতু কঢ়িয়াই লৈ ফুৰাৰ সমস্যা

**১.৫ কিনা বেচাৰ সময়ত মুদ্ৰাৰ ব্যৱহাৰে নতুন প্ৰথাৰ উদ্ভাৱন কৰিছিল কাৰণ**

(ক)

(খ) নকল মুদ্ৰা বনোৱা বৰ সহজ নহয়

(গ) কঢ়িয়াই লৈ ফুৰাতো বৰ সহজ আৰু সোনকালে ক্ষয় নাযায়

**১.৬ কাগজী মুদ্ৰা উপকাৰী কাৰণ**

(ক) বহুতো ধন একেলগে কঢ়িয়াই লৈ ফুৰিব পৰা যায়

(খ) মুদ্ৰাবোৰ হাতৰ পৰা পৰি হেৰাই যোৱাৰ সম্ভাৱনা

(গ) ইয়াত কতৃর্ত্বশীলতাৰ মোহৰে জোখ শুদ্ধতাৰ চিন বহন কৰে।

**১.৯ ভাৰতবৰ্ষত মুদ্ৰা নিয়ন্ত্ৰক কোন?**

(ক) ৰাজ্য চৰকাৰ

(খ) কেন্দ্ৰীয় চৰকাৰ

(গ) ৰিজাৰ্ভ বেংক

(ঘ) পৰিকল্পনা আয়োগ

**১.১০ তলত দিয়া কোনটো ব্যৱসায় গোষ্ঠীয়ে প্ৰথমে বেংকিং সেৱা আৰম্ভ কৰিছিল?**

(ক) মাছমৰীয়া

(খ) কমাৰ

(গ) বনিক

(ঘ) সোনাৰি

**১.১১ বৰ্ত্তমান সকলোতকৈ উচ্চ মূল্যবৰ্গৰ টকা কোনবিধ?**

(ক) ১০০

(খ) ৫০০

(গ) ১০০০

(ঘ) ৫০০০

## (২) কাৰ্য্যকলাপ

**২.১ তলত দিয়া শব্দবোৰৰ অৰ্থ বিচৰা**

(ক) বস্তু বিনিময়

(খ) সামগ্ৰী

(গ) মুদ্ৰা

(ঘ) মৌদ্ৰিক

(ঙ) অৰ্থনীতি

অৰ্থবোৰ বিচাৰি পালে শব্দবোৰৰ প্ৰয়োগ কৰিবা

**২.২ তলত দিয়া ঘৰবোৰ শুদ্ধক্ৰমত নাই। সাধুটোৰ সহায়ত ঘৰবোৰ শুদ্ধক্ৰমত সজোৱা**

| ১ | বৈদ্যুতিক ধন |

২ সামগ্ৰী বিনিময়

৩ কাগজী মুদ্ৰা

৪ ধাতু/ধাতৱ পদাৰ্থ

৫ মুদ্ৰা

**২.৩ এখন দহটকীয়া নোট লোৱা। নোটখন ভালদৰে চাই তাত কি দেখিলা বৰ্ণনা কৰা। তোমাৰ বন্ধুৱে লিখা কথাখিনি তোমাৰখিনিৰ সৈতে মিলাই চোৱা**

**মুদ্ৰানীতিৰ বুঢ়া মানুজন** - নামৰ পুস্তিকাখনি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা প্ৰকাশিত জ্ঞান বৰ্ধন শিক্ষালানিৰ প্ৰথম প্ৰকাশ। বিত্তীয় শিক্ষাই ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ভূমিকা, ইয়াৰ কাৰ্য্যাৱলী আৰু ই কেনেদৰে কাৰ্য্য কৰে সেই সম্পৰ্কে সজাগতা আনিবলৈ জনসাধাৰণৰ ওচৰত প্ৰয়াস কৰিছে।

"**মুদ্ৰানীতিৰ বুঢ়ামানুহজন**" অৰ্থ নামৰ এটি শিশুৰ কাহিনীৰে সৰু ল'ৰা ছোৱালীৰ বাবে দুঃসাহসিক সাধু কথা। কল্পনা শক্তি সাৰথি কৰি দূৰণিলৈ আগুৱাই গৈছে অৰ্থ-লক্ষ্য-ধনৰ ক্ৰমবিকাশ সম্পৰ্কে জানিবলৈ।